|| জয় গুৰু শংকৰ ||

# শংকৰদেৱৰ সাহিত্য অধ্যয়ন আৰু অনুসন্ধান

মুখ্য সম্পাদক

ড° মানস প্ৰতীম বৰা

সম্পাদক

ড° ভুবনেশ্বৰ ডেকা

প্ৰিয়ংকা ভাগৱতী

SANKARDEVAR SAHITYA : ADHYAYAN ARU ANUUSANDHAN, a collection of articles edited by Dr. Manash Pratim Borah as chief editor, Dr. Bhubaneswar Deka and Priyanka Bhagawati as editors and published by Babul Bora, Chief Secretary, Srimanta Sankaradeva Sangha.

ISBN : 978-93-93505-37-8

1st Edition : February, 2022 Price Rs. 220 only

প্ৰকাশক ঃ শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

প্ৰথম প্ৰকাশ ঃ ৫৭৩ শঙ্কৰাব্দ/২০২২ খ্ৰীষ্টাব্দ
গ্ৰন্থস্বত্ব ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

সাহিত্য শাখা সমিতি

সভাপতি ঃ মৃণাল কুমাৰ বৰুৱা

সম্পাদক ঃ ড° মানস প্ৰতীম বৰা

সম্পাদনা সমিতি

মূখ্য সম্পাদক ঃ ড° মানস প্ৰতীম বৰা

সম্পাদক ঃ ড° ভুবনেশ্বৰ ডেকা
প্ৰিয়ংকা ভাগৱতী

মূল্য ঃ ২২০ টকা

মুদ্ৰণ আৰু প্ৰকাশ ঃ অজন্তা প্ৰেছ, নগাঁও

# সূচীপত্ৰ—

১. অধ্যাপক ভৱপ্ৰসাদ চলিহা / শঙ্কৰদেৱৰ 'কেলি-গোপাল' নাটত
গোপী-কৃষ্ণ সংবাদ /১১
২. ড°আনন্দ বৰমুদৈ / শঙ্কৰদেৱ আৰু আধুনিক অসমীয়া সাহিত্য /১৯
৩. মৃণাল কুমাৰ বৰুৱা / শঙ্কৰদেৱৰ সাহিত্যত লোকজীৱনৰ প্ৰসংগ /৩১
৪. লীলাৱতী শইকীয়া বৰা / অঙ্কীয়া নাটৰ জনক শঙ্কৰদেৱ
আৰু শ্ৰীৰামবিজয় নাট /৩৭
৫. শোভন চন্দ্ৰ শইকীয়া / শঙ্কৰদেৱৰ সাহিত্যত ছন্দ আৰু অলঙ্কাৰ /৪৯
৬. মুনীন্দ্ৰ মহন্ত / গুণমালাৰ তত্ত্বদৰ্শন আৰু সাহিত্যিক সৌন্দৰ্য্য /৬৮
৭. ড° মাধুৰ্য্য মণ্ডিত বৰুৱা/অঙ্কীয়া নাটত ভক্তিৰসৰ মহত্ত্ব /৭৮
৮. ড° ৰুবী মহন্ত / শঙ্কৰদেৱৰ সাহিত্যৰ নান্দনিক মূল্যায়ন /৯৭
৯. ড° দ্বিজেন্দ্ৰ নাথ ভকত / কীৰ্ত্তন-ঘোষা সংগ্ৰহ, সম্পাদনা আৰু বিষয়
বিন্যাস বা অধ্যায়সমূহৰ তাৎপৰ্য বিচাৰ /১১০
১০. ড° উপেন্দ্ৰজিৎ শৰ্মা / অঙ্কীয়া নাট ভাওনা আৰু অসমীয়া লোকনাট্য ঃ
এক তুলনামূলক বিচাৰ /১১৯
১১. ড° প্ৰসন্ন কুমাৰ নাথ / জীৱনী আৰু জীৱনীভিত্তিক উপন্যাস
'যাকেৰি নাহিকে উপাম'/১২৭
১২. ড° বিন্দু ভূষণ বৰা / ভাৰতত গীত-নৃত্য-নাটৰ ঐতিহ্য আৰু
শঙ্কৰদেৱৰ ভটিমা ঃ এক বিহংগম দৃষ্টি /১৩৫
১৩. ড° দুলুমণি ডেকা / শঙ্কৰদেৱৰ নাটকত হাস্য ৰস /১৪৬
১৪. ড° অখিল কুমাৰ গগৈ / শঙ্কৰদেৱৰ সাহিত্যত পৰিস্থিতি বিজ্ঞান আৰু
প্ৰকৃতি চেতনা /১৫৫
১৫. ড° জ্যোৎস্না দেৱী / শঙ্কৰদেৱৰ বৰগীতৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ/১৬৮
১৬. ড° ভুবনেশ্বৰ ডেকা / কীৰ্ত্তন পুথিৰ সৌন্দৰ্যৰ পটভূমি বিচাৰ /১৭৮
১৭. মালামণি গোস্বামী / শঙ্কৰদেৱৰ নাটত ৰস প্ৰয়োগ /১৮৭
১৮. গীতাৰ্থ প্ৰতিম শইকীয়া / ৰুক্মিণী হৰণ কাব্য ঃ এক সামগ্ৰিক আলোচনা/২০১
১৯. পাপৰি দত্ত বৰা / মহাপুৰুষীয়া ধৰ্মৰ চাৰিপুথি ঃ এক চমু আলোচনা/২১৪

# শঙ্কৰদেৱৰ বৰগীতৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ

ড° জ্যোৎস্না দেৱী

অসমীয়া সমাজ জীৱনক অতিক্ৰমি সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত নিজৰ প্ৰজ্ঞা, জ্ঞান আৰু ব্যক্তিত্বৰ প্ৰতিভাৰে জিলিকি উঠা অনন্য পুৰুষ আছিল মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ। অসামান্য দক্ষতাৰে ধৰ্মপ্ৰচাৰ কাৰ্যত নিজকে বিলীন কৰি দিয়া মহাপুৰুষজন প্ৰকৃততে আছিল এজন সমাজ-সংস্কাৰক তথা সমাজ-সংগঠক। ভক্তিধৰ্মৰ বাণী প্ৰচাৰ কৰাৰ সমান্তৰালকৈ শঙ্কৰদেৱে সমাজৰ আঁসোৱাহসমূহো দূৰ কৰাৰ চেষ্টাত ব্ৰতী হৈছিল। ভগৱান বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্য প্ৰচাৰ কৰি ভক্তিধৰ্মক জনমানসত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰেই শঙ্কৰদেৱে বিভিন্ন মাধ্যমেৰে সমাজত নিজৰ আদৰ্শসমূহৰ প্ৰসাৰ কৰিছিল। শঙ্কৰদেৱৰ সমসাময়িক সহজ-সৰল, নিৰক্ষৰ অসমীয়া সমাজখনত প্ৰচলিত হৈ থকা বিভিন্ন ধৰ্মীয় বাতাবৰণ আৰু বহুধাবিভক্ত ধৰ্মৰ মাজত দিক্‌ভ্ৰান্ত অসমীয়া লোকসকলক নতুন মাৰ্গ-দৰ্শনৰ প্ৰচেষ্টাৰে মহাপুৰুষজনাই নৱ-বৈষ্ণৱ ধৰ্মৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি, সেই ঠাইসমূহত প্ৰচলিত থকা ভক্তিধৰ্মৰ বিভিন্ন পন্থা তথা বৈষ্ণৱ ভক্তিমাৰ্গৰ আদৰ্শসমূহ অনুধাৱন কৰি এক নতুন দৰ্শনেৰে শঙ্কৰদেৱে অসমত বিষ্ণু কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰি সহজ-সৰল ভক্তিধৰ্মৰ প্ৰৱৰ্তন